# অসম আদিত্য

১৪ ভাদ, ১৯৪৬ শক ■ শনিবাৰ, ৩১ আগষ্ট, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, August 31, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


## জনজাতিকৰণৰ দাবীত উত্তাল টেঙাখাত

**বিশেষ প্ৰতিবেদক, টেঙাখাত, ৩০ আগষ্ট ঃ** চুতীয়া জনগোষ্ঠীক জনজাতিকৰণ আৰু স্বায়ত্তশাসন প্ৰদানৰ দাবীত আজি সন্ধিয়া টেঙাখাত বজাৰৰ মাজমজিয়াত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ৰূপায়ণ কৰা এই কাৰ্যসূচীত যথেষ্টসংখ্যক জিলা আৰু টেঙাখাত আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়া তথা স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি আমাৰ দাবী মানিবই লাগিব, এই জুই জ্বলিছে, জ্বলিবই, নৰেন্দ্ৰ মোদী হুঁচিয়াৰ, হিমন্ত বিশ্ব শৰ্মা হুঁচিয়াৰ, No ST no rest আদি কৰি বিভিন্নধৰণৰ প্ৰতিবাদী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি ৰাজ আলিৰ সোঁমাজত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। এই কাৰ্যসূচীত ডিব্ৰুগড় জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি জিতু শইকীয়াই অংশগ্ৰহণ কৰি অতি ক্ষোভেৰে কয় যে চৰকাৰে চুতীয়া জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত বাৰম্বাৰ প্ৰতাৰণা কৰাৰ প্ৰতিবাদত আজি এই কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছত অহা ৩ ছেপ্টেম্বৰত দুলীয়াজানত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ইয়াৰ পিছতো যদি চৰকাৰে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে আগন্তুক দিনত ইয়াতকৈ জংগী আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰে। এই কাৰ্যসূচী জিলা সভাপতি জিতু শইকীয়াৰ লগতে উপ-সভাপতি ত্ৰিদিপ চুতীয়া আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক পৰাগ খনিকৰে নেতৃত্ব প্ৰদান কৰে।

## ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰে বুজাবুজি চুক্তি তিনি মহাবিদ্যালয়ৰ

**ডিব্ৰুগড়, ৩০ আগষ্ট ঃ** ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰ, ইউনেস্ক' এছ'চিয়েশ্যন আৰু ইণ্ডিয়ান ফেডাৰেশ্যন অৱ ইউ এন এছ'চিয়েশ্যন, নতুন দিল্লীৰ উদ্যোগত আজি উজনিৰ তিনিখন মহাবিদ্যালয় ক্ৰমে ডুমডুমা মহাবিদ্যালয় আৰু বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত দুখন বুজাবুজি চুক্তি আৰু ডি এইচ এছ কানৈ মহাবিদ্যালয়কে ধৰি তিনিখন মহাবিদ্যালয়ৰ স'তে ৰাষ্ট্ৰসংঘৰ ডিপ্লমা পাঠ্যক্ৰমৰ বুজাবুজি চুক্তি সম্পন্ন হয়। এই বুজাবুজি চুক্তিত উপস্থিত থাকে ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ কাৰ্যবাহী সঞ্চালক ড০ অশ্বিনী শৰ্মা, সম্পদ কেন্দ্ৰটোৰ স'তে দীৰ্ঘদিন ধৰি জড়িত হৈ ৰাষ্ট্ৰসংঘৰ লক্ষ্য, উদ্দেশ্য পূৰণ কৰিবলৈ চেষ্টা কৰি থকা অন্যতম এগৰাকী ব্যক্তি ডিব্ৰুগড় পলিটেকনিকৰ প্ৰাক্তন অধ্যক্ষ ড০ প্ৰণৱজ্যোতি লহকৰ, ৰাষ্ট্ৰসংঘৰ সম্পদ কেন্দ্ৰটোৰ উজনি অসমৰ সমন্বয়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতা, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অমৰজ্যোতি শইকীয়া প্ৰমুখ্যে মহাবিদ্যালয় তিনিখনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ দ্বাৰা প্ৰৱৰ্তন কৰা ছমহীয়া ডিপ্লমা পাঠ্যক্ৰম অসমৰ মহাবিদ্যালয়সমূহত পোন প্ৰথমবাৰৰ বাবে সংযোজন কৰা হৈছে। এই ক্ষেত্ৰত শিক্ষাৰ্থীসকল উপকৃত হ'ব পৰাকৈ ছমহীয়া ডিপ্লমা পাঠ্যক্ৰম তিনিওখন মহাবিদ্যালয়তে এতিয়াৰে পৰা ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণ কৰিব পাৰিব। সম্পদ কেন্দ্ৰটোৰ কাৰ্যবাহী সঞ্চালক ড০ অশ্বিনী শৰ্মা আৰু অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ৰাষ্ট্ৰসংঘৰ লক্ষ্য, উদ্দেশ্য, ৰাষ্ট্ৰসংঘৰ ১৭ টা এচ ডি জি সম্পৰ্কে বিস্তৃতভাৱে মহাবিদ্যালয় তিনিওখনত অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলৰ আগত বৰ্ণনা কৰে।

